work, how can the Govt. propose a budget of more than Rs. 3 crores to prepare the electoral rolles? Therefore, Sir, I oppose this allocation and further expenses on travelling allowances and daily allowances. The Govt. servants who worked during the last 1983 Elections have yet been paid their claims of Travelling Allowances and Daily allowances. Therefore, as an alternative policy, I suggest that the arear accounts be cleared and this allocation of more than Rs. 4 crores be scrapped. With this, I conclude my criticim on this demand.

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য গৰাকীয়ে এটা কথা কব কিচাৰিছে যে, আজি আমি নিৰ্বাচনৰ সম্পৰ্কত যি ৪ কোটি টকা বিচাৰিছো সেই ক্ষেত্ৰত কৈছে যে আমি যিহেতু নিৰ্ব্বাচন পতাৰ সম্পৰ্কত এতিয়া লৈকে কোনো সিদ্ধান্ত লোৱা নাই আনহাতে ভোটাৰ লিষ্ট তৈয়াৰ হোৱা নাই আৰু ট্ৰিবিউনেলৰ কাম আৰম্ভ কৰা হৈছে যদিও শেষ হোৱা নাই. তেনে ক্ষেত্ৰত এই টকাৰ প্ৰয়োজন কি? অধ্যক্ষ ডাঙৰীয়া, নিৰ্ব্বাচন অনুষ্ঠিত হয় নিৰ্ব্বাচনী আয়োগৰ সিদ্ধান্তৰ ওপৰত। সেইমৰ্মে নিৰ্ব্বাচনী আয়োগ এই সম্পৰ্কত আমাৰ লগত কেতবোৰ খা-খবৰ কৰি আছে আৰু আমিও যোগাযোগ কৰি আছো—এই বিষয়ে কি ব্যৱস্থা ল' পাৰি। নিৰ্ব্বাচনী আয়োগে আৰু এটা কথা আমাক জনাইছে যে ১৯৮৫ চনৰ জানুৱাৰী মাহৰ ভিতৰত লোক সভাৰ নিৰ্ব্বাচন পাতিব লাগিব আৰু তাৰ কাৰণে আমাৰ এতিয়াও যথেষ্ট সময় আছে। আমি ট্ৰিবিউনেলৰ জৰিয়তে বিদেশী লোক চিনাক্ত কৰণৰ কাম আৰম্ভ কৰিছো আৰু আমি আঁচনি হাতত লৈছো যাতে এই সময় খিনিৰ ভিতৰতে বিদেশী লোক চিনাক্তকৰণৰ কাম শেষ কৰিব পাৰি। এইখিনিতে আৰু এটা কথা কব লাগিব যে নিৰ্ব্বাচন পতাৰ আগতে ভোটাৰ লিষ্ট সংশোধন কৰিব লগা হয়। এই সংশোধনী দুটা পদ্ধতিৰে কৰিব পৰা যায়। প্ৰথমটো—

হল—ইয়াৰ বাবে আমি কিছুমান এনুমাৰেটৰ নিয়োগ কৰিব লাগ আৰু তেওঁলোকে গাওঁ গাওঁ গৈ মানুহৰ বয়স আদি চাই ভোটাৰ লিষ্ট দাখিল কৰে আৰু সেইমতে ভোটাৰ লিষ্ট তৈয়াৰ কৰা হয়। এই পদ্ধতিটোক 'ইনটেনচিভ' প্ৰচেচ বুলি কোৱা হয়। ইয়াৰ বাহিৰেও আমাৰ আৰু এটা ব্যৱস্থা আছে "কুইক ৰিভিজন লিষ্ট"। আমি যদি ১৯৮৫ চনৰ জানুৱাৰী মাহত নিৰ্ব্বাচন পাতিব লগা হয় তেতিয়া আমি ইনটেনচিভ ভোটাৰ লিষ্ট তৈয়াৰ কৰিব নোৱাৰিলেও পিচৰ ব্যৱস্থাতে নিৰ্ব্বাচন পাতিব পৰা হব পাৰে। কিন্তু আমি এতিয়াই এটা কথা কোৱা টান যে এই সময়টোৰ ভিতৰত নিৰ্ব্বাচন পাতিব পাৰিম নে নোৱাৰিম।

অধ্যক্ষ মহোদয়, এই বিষয়টো লৈ ইতিমধ্যে ভাৰতবৰ্ষৰ বেইবটাও ৰাজনৈতিক দল আৰু আমাৰ অসমৰ প্লেইনচ ট্ৰাইবেল কাউন্সিল'ৰ লগত আলোচনা কৰি কেনেকৈ ভোটাৰ লিষ্ট সংশোধন কৰিব পাৰি সেই বিষয়ে চিন্তা কৰি থকা হৈছে। অৱশেষ অসম চৰকাৰে অনুভৱ কৰে যে যিহেতু ট্ৰিবিউনেলৰ যোগেদি বিদেশী চিনাক্তকৰণৰ বাট আৰম্ভ হৈছে আৰু ১৯৭১ চনৰ পিছত যিসকললোক অসমলৈ আহিছে তেওঁলোকক বিদেশী হিচাবে চিনাক্তকৰণ কৰা কাম শেষ হলেই অসমত নিৰ্ব্বাচন পতাটো ভাল হব। কিন্তু এই বিষয়টো আলোচনা কৰি নিৰ্ব্বাচনী আয়োগৰ পৰা কোনো সিদ্ধান্ত লব নোৱাৰিম। কিন্তু তেওঁলোকৰ পৰা সিদ্ধান্ত পোৱালৈকে আমি বাজেটত টকা নধৰাকৈ বহি থাকিব নোৱাৰো। ইয়াৰ ভিতৰতে কিবা এটা সিদ্ধান্ত হলেই আমি সেইমতে কাম কৰিব লাগিব আৰু সেই কাৰণেই আমি আজি বাজেটত টকা আনিব লগা হৈছে।

অধ্যক্ষ ডাঙৰীয়া, সদস্য গৰাকীয়ে আৰু এটা কথা কৈছে যে যোৱা নিৰ্ব্বাচনত যিসকল বিষয়াই কাম কৰিছিল তেওঁলোকে পাবলগীয়া টকা এতিয়াও পোৱা নাই। এইবিষয়টোৰ প্ৰতি চৰকাৰে ব্যৱস্থা হাতত লৈছে আৰু সোনকালে ইয়াৰ প্ৰতিকাৰ কৰা হব।

শ্ৰীহেমেন দাস : অধ্যক্ষ ডাঙৰীয়া, মোৰ এটা স্পষ্টিকৰণ আছে। আমি কাগজ পত্ৰৰ পৰা জানিব পাৰিছো যে ভোটাৰ লিষ্ট সংশোধনীৰ ক্ষেত্ৰত

নির্ব্বাচনী আয়োগে ৰাজ্য চৰকাৰ মতামত বিচাৰিছে। ৰাজ্য চৰকাৰে সেই সম্পৰ্কত কি মতামত দিছে?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আজি কিছুদিনৰ আগতে ভাৰতবৰ্ষৰ তালিকাভুক্ত ৰাজনৈতিক দল যেনে ভাৰতীয় জনতা পাৰ্টি, কমিউনিষ্ট পাৰ্টী অৱ ইণ্ডিয়া, কমিউনিষ্ট পাৰ্টী (এম), ভাৰতীয় জাতীয় কংগ্ৰেছ (আই), ভাৰতীয় জাতীয় কংগ্ৰেছ (এছ), জনতা, লোক দল আৰু অ, পি, টি, চি এই সাতটা সৰ্ব্বভাৰতীয় আৰু অসমৰ পি টি চিৰ লগত আলোচনা কৰি আমাৰ পৰা জানিব বিচাৰিছে যে ১৯৭১ চনৰ ইলেক্‌টৰেল ৰোলখনকে বেচিক ডকুমেণ্ট হিচাবে লৈ লিষ্ট ৰিভিজনৰ কাম কৰিব পাৰি নেকি? আমি এইটো পৰীক্ষা কৰি আছো আৰু মই কৈছোৱেই যেহেতু আমাৰ ইয়াত ১৯৭১ চনৰ পিচত যিসকললোক অসমলৈ আহিছে সেইসকলক চিনাক্ত কৰণৰ কাম আৰম্ভ হৈছে আৰু ট্ৰিবুনেলৰ জৰিয়তে এই লোকসকল বিদেশী হয়নে নহয় আৰু যদিহে ইতিমধ্যে তেওঁলোকৰ নাম ভোটাৰ লিষ্টত সোমাইছে তেনেহলে তেওঁলোকক ভোটাৰ লিষ্টৰ পৰা বাদ দিয়া হব। সেই কাম ইতিমধ্যে আৰম্ভ কৰা হৈছে। বিদেশী লোকসকলক ট্ৰিবুনেলে প্ৰমাণ কৰাৰ পিচত তাৰ ভিত্তিতে ভোটাৰ লিষ্ট তৈয়াৰ কৰা হব আৰু সেই অনুসাৰেই লিষ্টৰ ভিত্তিতে নিৰ্বাচন পতাটো ভাল হব বুলি ভাবিছো।

Shri Binoy Kumar Basumatary : I am satisfied with the reply and therefore, I withdraw the cut Motion.

Mr, Speaker : It is the pleasure of the August House to grant leave to the hon. member to withdraw Cut Motion. (Voice — Yes, yes)

The Cut motion withdrawn. Now, I put the question befour the House that a sum of Rs. 7,13,36,000 be granted to the Minister-in-charge to defray the ch arges which will come in course of payment during the year ending the

* Speech not corrected

31st March, 1985 for the administration of 'Elections'.

The motion is adopted.

Shri Hiteswar Saikia (Chief Minister) : Sir, on the recommendation of the Governor of Assam, I beg Sir to move that a sum of Rs. 1,09,21,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985 for the administration of 'State Excise'.

Mr. Speaker, There is a cut motion tabled by Shri Hemen Das and Shri Purna Boro. Shri Das will move.

* Shri Hemen Das : Sir, I beg to move that the total provision of Rs. 1,09,21,000 under Grant No. 9 in respect of "State Excise" at pages 7-12 of Vol. II, part XVII of the budget be reduced to Re. 1/-, i. e.. the amount of the whole grant of Rs. 1,09,21,000 do stand reduced to Re. 1/-.

এই কৰ্ত্তন প্ৰস্তাবটো আগবঢ়াই মই এই বিষয়টোৰ বিষয়ে দুআষাৰমান কবলৈ ওলাইছো। এই বিভাগটোৰ অসমত কাম হৈছে দেশৰ কিছুমান অংশত মদৰ দোকান দিয়া আৰু মদ খোৱা লোৱাৰ সহজ ব্যৱস্থা কৰি দিয়া। আৰু আন কিছুমান অংশত ৰাইজক মদ খাবলৈ নিদিয়ামানে মদ নিবাৰণী আইন কাৰ্য্যকৰী কৰা। আমি বুজি পোৱা নাই, একেখন ৰাজ্যতে দুটা ব্যৱস্থা কেনেকৈ চলি থাকে। অধ্যক্ষ মহোদয়, আপুনি জানে আপোনাৰ মূৰৰ ওপৰতে গান্ধীজীৰ ছবি এখনো আছে আৰু এই আদৰ্শকে লৈ মদ নিবাৰণী আইন আদি তৈয়াৰ কৰিছে। কিন্তু বাস্তৱত দেখা গৈছে যে এই আইনৰ যি উদ্দেশ্য আছিল এতিয়া তাৰ সম্পূৰ্ণ বিপৰীত হৈছে। মদ নিবাৰণ হোৱাতকৈ মদৰ প্ৰচলনৰ প্ৰকোপ বেছি হৈছে। অসমত যদি কিবা এটা সৰু উদ্যোগে সম্প্ৰসাৰণ লাভ কৰিছে সেইটো হৈছে চুলাই মদৰ উদ্যোগ।

---

*Speech not currected

এই উদ্যোগ চাৰিওফালে বিয়পি আছে। যত মদ নিবাৰনী আইনৰ প্ৰচলন বেছি সেইবোৰ ঠাইতে বাট ঘাট চুলাই মদ পোৱা যায়। এই অৱস্থাত চৰকাৰে কিয় এই বিভাগটো ৰাখি থৈছে আমি বুজি নেপাও। আৰু এতিয়া দেখিছো লাহে লাহে আৰু বিলাতী মদৰ দোকান খুলি দিবলৈ ওলাইছে। যত আগতে নাছিল তেনে ঠাইতো বিলাতী মদৰ দোকান খুলিবলৈ লোৱা দেখিছো। সিদিনা দুজন মানুহ মোৰ ওচৰলৈ গৈছিল - বৰপেটাত বোলে বিলাতী মদৰ কিবা "বিয়েৰ বাৰ" দোকান খুলিব বিচাৰে অনুমতি আনি দিব লাগে। মই কলো মই সেইবোৰ একো নেজানো, যি জানে তেওঁলোকৰ ওচৰলৈ যোৱা। যদি এই অৱস্থা হয় বিদেশী মদৰ দোকান সম্প্ৰসাৰণ কৰা হয় তেতিয়া হলে চুলাই মদে কি অপৰাধ কৰিলে। এতিয়া এইবিলাক দেশত তৈয়াৰী বিদেশী মদ আইন সঙ্গতভাবে বিক্ৰী কৰাৰ ব্যৱস্থা আছে। কিন্তু দেশতে তৈয়াৰী দেশী মদ প্ৰচলন বন্ধ কৰিছে। কিন্তু সম্পূৰ্ণ বন্ধ কৰিবলৈ সক্ষম হোৱা নাই বৰং দিনে দিনে বাঢ়িছেহে। চৰকাৰে এইবিলাকৰ কাৰণে যথেষ্ট কৰ্ম্মচাৰী ৰাখিছে। বিভিন্ন পৰ্য্যায়ৰ কমিচনাৰৰ পৰা কনিষ্টবললৈকে আছে তথাপিও মদৰ প্ৰচলন ইমান বাঢ়িছে কেনেকৈ? ইয়াৰ অৰ্থ এইয়ে যে এই বিভাগটো যি উদ্দেশ্যে কৰা হৈছিল সেই উদ্দেশ্য মানে মদ নিবাৰণ কৰিব নোৱাৰিলে। যদি নোৱাৰেই তেনেহলে এই মানুহবিলাক কিয় ৰাখি থৈছে? তেওঁলোকক মদৰ দোকানৰ এটা এটা অংশ দি এখন সৰু সৰু দোকান খুলিবলৈ দি জীয়াই থকাৰ উপায় কৰি দিলে উপকাৰ হব। মিছাকৈয়ে মদ নিবাৰণৰ নামত প্ৰহসন কৰা নীতিৰ বিৰোধিতা কৰি মই মোৰ কৰ্ত্তন প্ৰস্তাৱ উথাপন কৰিছো।

*Shri Jiba Kanta Gogoi : Mr. Speaker Sir, I rise to support the demand moved by our hon. Chief Minister and I oppose the cut motion moved by the Opposion. Mr. Speaker Sir, so far as the State Excise is concered we are having a dual policy – on the one hand we are giving licences to liquor, and wine shop. It is a revenue

*Speech not corrected

earning Department. It brings revenue to our State. We have two points to consider. One is to make attempt to raise revenue and the other is that to prohibit the consumption of liquor completely. Assam has sufficient raw materials to produce liqure commercially. We can earn huge amount by exporting liquor outside State. We have two sugar factories in our State. Lalis is wanted which is sequired to prepare liquor. 1/4th of lal's are used. If we want to make good use of lalis, we should encourage manufacture of liquor. This would, I think, give employment to our boys. I therefore, suggest that a beer factory should be eastablished immediately, We have also large quantities of wasted rice which is not required to prepare rice. I am sure, our liquor would find market in the neighbouring States. My Hon'ble member Shri Hemen Das has said that country liquor is manufacturing illegally and the people are cousuming heavily. A special step should immediately be taken to stop illegal manufacture of liquor. The policy should uniform for all the areas of the State. There should not be wet or dry areas. Apolicy decision may be taken which will cover all parts of the State uniformly, With these few words, I support the demand.

Mr. Speaker : Hon'ble Chief Minister is to reply.

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীদাস ডাঙৰীয়াই আমাৰ ৰাজ্যখনত হোৱা চুলাই মদৰ প্ৰকোপৰ কথা কৈছে। যদিও ৰাজ্যখনৰ কেইটামান অঞ্চলত মদৰ প্ৰচলন বন্ধ কৰিছে

* Speech not corrected

তথাপিও আকৌ এই অঞ্চলতে বাৰ আদি দিয়াৰ কথাও উল্লেখ কৰিছে। এই সম্পৰ্কত আপুনি জানে যে আমাৰ ৰাজ্যখনৰ ৮ খন জিলাত মদ নিবাৰণ কৰি আমি ৰাখিছো। এই ৮ খন জিলা হৈছে—কামৰূপ, বৰপেটা, দৰং, গোৱালপাৰা, কোকৰাঝাৰ, ধুবুৰী, নগাওঁ আৰু শোণিতপুৰ। এই ৮ খন জিলাত মদ নিবাৰণ হৈ আছে, আৰু বাকী ৮খন জিলাত মদ চলি আছে। ইয়াত কিছুমান অসুবিধা নোহোৱা নহয়। ৰাজ্যখনৰ ভালেকেইখন জিলাত মদ বন্ধ কৰি ৰখা হৈছে যদিও কাষৰীয়া জিলাৰ পৰা মদ আমদানি হয় বাবে চুলাই মদৰ লগতে অন্যান্য মদৰো প্ৰচলন চোৰাং ভাবে হৈ আছে। আমাৰ ইয়াত সম্পূৰ্ণ নিবাৰণ কৰাৰ অসুবিধা হৈছে যে আমাৰ চাৰিও ফালে যি ৰাজ্য আছে যেনে—মেঘালয়, মিজোৰাম, অৰুণাচল আৰু নাগালেণ্ড এই ৰাজ্যবিলাকে মদ প্ৰচলন বন্ধ কৰা নাই। সেইবিলাক ঠাইত মদৰ প্ৰচলন আৰু ব্যৱসায় চলি আছে কাৰণেই আমাৰ ওচৰৰ ঠাইবিলাকলৈ সেই ঠাইৰ পৰা মদ অনা নিয়া কৰাটো বন্ধ কৰিব পৰা নাই। মই এটা বছৰৰ হিচাব দি কব বিচাৰিছো ১৯৮২ চনত আমাৰ ৮ খন জিলাত মদ বন্ধ কৰা হৈছিল, সেই ৮ খন জিলাৰ পৰা মুঠতে ১২ কোটি ২৮ লাখ ১৫ হেজাৰ ৮ শ ৭০ লিটাৰ চুলাই মদ বাজেয়াপ্ত কৰা হৈছিল। ইয়াৰ পৰা বুজা যায় সেই জিলাকেইখনত কেনেভাবে প্ৰচলন হৈছে। এই মদ বন্ধ কৰিবলৈ হলে অকল চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰিলে নহব, ৰাইজৰ সহায় সহযোগো লাগিব। এই ব্যৱসায়টো ইমান লাভজনক বন্ধ কৰিবলৈ হলে আমাৰ ফালৰ পৰা অতি দৃঢ় হব লাগিব। ইয়াত সকলোৰে সক্ৰিয় সহযোগ থাকিব। কাষৰীয়া ৰাজ্য বিলাকে যিহেতু মদ বন্ধ কৰা নাই আৰু যিহেতু কাষৰীয়া ৰাজ্যৰ পৰা মদ আহে সেই মদ অহাটো বন্ধ কৰিবৰ বাবে চেষ্টা কৰিছো। ভাৰতৰ যিবিলাক ৰাজ্যত মদ প্ৰচলন চলি আছে সেইবিলাক ঠাইত মদৰ পৰা যথেষ্ট টকা ৰাজহলৈ আহে। উদাহৰণ স্বৰূপে ১৯৮২ চনত আমাৰ ৰাজ্যত যিকেইখন জিলাত মদ প্ৰচলন হৈছে তাৰ পৰা ৪ কোটি ৩৩ লাখ ৪৫ টকা উপাৰ্জন হৈছে। আৰু খৰছ হৈছে ১ কোটি ৩২ লাখ টকা। এই বছৰত ৰাজ্যখনে লাভ কৰিছে ৩ কোটি টকা।

এইদৰে ভাৰতৰ অন্যান্য ঠাইত মদৰ প্ৰচলনে ২৫।৩০ কোটি টকা উপাৰ্জন কৰিব পাৰে। এই কাৰণে মদ বন্ধ কৰা নাই। তথাপিতো আমাৰ

* Speech not corrected

ৰাজ্যত মদ বন্ধ কৰিবলৈ আমি পৰ্য্যায়ক্ৰমে চেষ্টা চলাই আছো।

সমীক্ষামতে দেখা গৈছে যে অসম ৰাজ্যখনৰ যিবিলাক ঠাইত বিলাতী মদৰ দোকান আছে সেইবিলাক হিচাব জনসংখ্যাৰ ফালৰ পৰা বৃটিচৰ দিনৰেই হিচাব। জনসংখ্যা যিহেতু বেচি বাঢ়িছে সেই হেতুকে বেচি বিলাতী মদৰ দোকান দিয়াৰ লাইচেন্স পাব পাৰে বুলি কিছুমান মানুহে আশা কৰিছে। মাননীয় সদস্য গগৈ ডাঙৰীয়াই এটা কথা কৈছে যে চাহ বাগিচা বিলাকত মদৰ প্ৰচলন বন্ধ কৰিব লাগে। এই ক্ষেত্ৰত অধ্যক্ষ ডাঙৰীয়া, আমি সকলোৰে চেষ্টা কৰিব লাগিব। কাৰণ চাহ বাগিছা বিলা তেই নহয় আমাৰ গ্ৰাম্যাঞ্চলৰ কিছুমান ঠাইত যিবিলাক নিচা জাতীয় বস্তু খোৱাৰ অভ্যাস তাৰ ভিতৰত চুলাই মদৰ প্ৰকোপ খুব বেচি। কাৰণ চুলাই মদৰ দাম খুব কম। আজিকালি তেনেধৰণৰ কেমিকেল প্ৰডাকচন ওলাইছে। যিটো বস্তু খাই মানুহ কম সময়তে মাতাল হৈ থাকে। যিবিলাক ঠাইত বিশেষকৈ শোণিতপুৰ আৰু দৰং জিলাত মদ প্ৰচলনটো বন্ধ কৰাইছে কিন্তু আন আন ঠাইৰ তুলনাত সেই অঞ্চল বিলাকৰ চাহ বাগান বিলাকৰ অন্তৰ্গত আইন ঠাইত মদৰ প্ৰচলন খুব বেচি। মই এটা প্ৰশ্নৰ পৰা কব খোজো যে ১৯৮২ চনত আমাৰ যিকেইখন জিলাত মদ প্ৰচলন হৈছে সেই জিলাকেইখনৰ পৰা যিখিনি মদ ধৰা হৈছে তাৰ পৰিমাণ হল ১ কোটি ৭৯ লাখ ৮৪ হাজাৰ লিটাৰ আৰু চুলাই মদ প্ৰচলন নথকা জিলাকেইখনত ১২ কোটি ২৮ লাখ ৯৫ হাজাৰ ৮৭০ লিটাৰ। ইয়াৰ দ্বাৰা প্ৰমাণ হয় যে, আমি যিবিলাক ঠাইত মদ বন্ধ কৰিছো সেই বিলাক ঠাইত মদখোৱাৰ প্ৰকোপ কমাব পৰা নাই। মদ প্ৰচলন সম্পূৰ্ণ ভাবে বন্ধ কৰিবলৈ হলে আমি কিছুমান কথা চিন্তা কৰিব লাগিব। ৰাজ্যখনৰ সকলো ঠাইতেই মজদুৰ সকলৰ মাজৰ পৰা মদ বন্ধ কৰাটো আইনৰ মাজেদি সম্ভৱপৰ নহয়। কিয়নো এই চাহ বাগান বিলাক এনে ঠাইত অৱস্থিত যত নেকি মদ নিবাৰণ কৰাটো সম্ভৱ নহয় যদি স্থানীয়ভাবে সমাজ কৰ্মী সকলে মদ নিবাৰণ কৰাৰ এটা পৰিবেশ সৃষ্টি কৰিব নোৱাৰে। মই ভাবো এইটো কৰাব কাৰণে বাইজৰ পৰা যথেষ্ট সহাৰি পাম।

*Speech not corrected

★শ্ৰীপূৰ্ণ বড়োঃ অধ্যক্ষ মহোদয়, মই এটা স্পষ্টিকৰণ বিচাৰিছো। আমাৰ যিসকল জনজাতীয় লোক আছে তেখেত সকলে এই মদৰ ব্যৱসায় কৰিয়েই জীৱন নিৰ্বাহৰ পথ মোকলাই আছে। তেনেক্ষেত্ৰত তেওঁলোকৰ জীৱন নিৰ্বাহৰ বিকল্প পথ নাথাকিলে তেওঁলোকে কিহৰ ওপৰত নিৰ্ভৰ কৰি থাকিব। গতিকে এইসকল লোকৰ কাৰণে জীৱন নিৰ্বাহৰ অবলম্বনৰ বিকল্প পথ উলিয়াই দিব পাৰিলে নিশ্চয় কিছু পৰিমাণে এই ব্যাধিৰ পৰা হাত সাৰিব পৰা হব। আৰু মদৰ ব্যৱসায় কিছু কমিব। গতিকে চৰকাৰৰ ফালৰ পৰা এনে ধৰণৰ কিছুমান ব্যৱস্থা লোৱাৰ কাৰণে চিন্তা কৰিছে নেকি? যদি নাই কৰা চিন্তা কৰিবনে?

★শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী): মই মাননীয় সদস্যজনৰ লগত এক মত, এইটো কথা সঁচা আমাৰ দুখীয়া মানুহ বিলাকে এই চুলাই মদটোক ব্যৱসায় হিচাবে লৈছে। মই নিজেই জানো গোলাঘাট মহকুমাত কুহিয়াৰ খেতি ভাল হয় যদিও তাত ডেৰগাওঁ চেনিকলটো বন্ধ হৈ গল কিন্তু তথাপিতো তাত কুহিয়াৰ খেতি চলি আছে। তাৰে ল'ৰাই মোক নিজে কৈছে যে তেওঁলোকে এবটল মদ বনাওতে বাৰ অনা পইচা খৰচ হয় অথচ জেউৰাখন পাৰ হলেই সিফালে বাগানত গৈ দুই তিনি টকাকৈ মদ বিক্ৰি কৰিব পাৰে। আৰু সহজে তেওঁলোকে সাত আঠ টকা লাভ কৰে। তেওঁলোকৰ টকা পইচাৰ যথেষ্ট নাটনি। স্কুলৰ কিতাপ পত্ৰৰ খৰচ যদিও চৰকাৰৰ ফালৰ পৰা দিছে তাৰে নোজোৰে। এই টকাৰে তেওঁলোকৰ খোৱা খৰচ, পকেট খৰচ, অন্যান্য খৰচ উলিয়াই লবলৈ বাধ্য হয়। গতিকে তেওঁলোক বাধ্য হৈ গৈছে। গতিকে আমি এই দিশত সকলো ফালৰ পৰাই কিবা এটা চিন্তা কৰি ব্যৱস্থা লবলৈ আগবাঢ়িছো।

শ্ৰীহেমেন দাস: মোৰ অনিচ্ছা স্বত্বেও মই উঠাই ললো।

Mr. Speaker : Is it the pleasure of the House to grant leave to withdraw the cut motion ?

(Voices—yes, yes. Leave granted and the cut motion is withdrawn.

*Speech not corrected-

Now I put the main grant ; that a sum of Rs. 1,09,21,000 be granted to the Minisier-incharge to defray the charges which will come in course of payment during the year ending the 31st March 1985 for the administration of "State Excise".

Grant is passed.

Now Grant No. 16, Cheif Minister to remove.

Shri Hiteswar Saikia (Chief Minister) : Mr. Speaker, Sir, on the recommendation of the Governor of Assam I beg to move that a sum of Rs. 5, 2 50,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985 for the administration of "District Administration".

Mr. Speaker : There is a cut motion tabled by Shri Binoy Kumar Basumatari and Shri Kaizasong.

Shri Binoy Kumar Basumatari to move.

Shri Binoy Kumar Basumatari : Sir, I beg to move that the total provision of Rs. 5,12,50,000 under grant No. 16 in respect of 'District Administration', at pages 63-72 of Volume II, part I of the Budget, be reduced to Re. 1, i. e. the amount of the whole grant of Rs. 5,12,50,000 do stand reduced to Re. 1/-

Sir, this is a very small grant. But it is an important grant because it shows the heads under which the grant will be accounted for by the Personal (A) & (B), General Administration and T. A. & W. B. C. departments. Therefore, Sir, this is a fund that will be accounted for

by the Personal and General Administration Departments on behalf of the Tribal areas and backward Classes Department. Now Sir, in the of matter district administration we have a huge tribal area in the State and we have seen that those tribal areas are not properly administered. The main reason is those tribal areas are included in the Tribal Belts and Blocks governed by Chapter X of the Assam Land Revenue Act and because in the administration the compliments of officers are not full or required number of officers are not existing in the administrative headquarters the laws are not given effect to. Recently some new Districts and sub-divisions are created in the State. As per this grant of Rs. 5,12,50,000 the District administration will take Rs. 4,85,0000. Now how does the District administration run? In my Sub-Divition Udalguri the S. D O. or the Police Officers or the Revenue Officers do not have any vehicle. Therefore, Sir, the Police requisition every and any car that use to pass before them. This has created a bad feeling between the administration and the car owners. In my area there are lots of tea gardens and several cars belonging to the tea gardens have been requisitioned by the police. Many cars have smashed and when the tea garden people go to the police asking for returning their cars the people say that those cars are no longer there. And when they ask for the papers showing the requisition of their cars so that they can claim their vehicles the police do not give any paper. Therefore,

Sir, this amount absolutely insufficient and if the tribal areas are proposed to be administered in a proper manner this 5 crores is not enough. Another point Sir, if this will cover the district administration of the whole State then the question of misutlising the tribal area fund for the general areas are also apprehended. As such, I oppose this allocation. The amount proposed to be accounted for the Tribal areas and backward classes should be separated and this allocation of 5 crores be used only for the Sub-Divisions and Districts which are located in the tribal areas and the expenditure for the general areas should be met from other heads.

With this Sir, I oppose and criticise this grant.

*শ্ৰীহেমেন দাস : চাৰ, মই মাননীয় সদস্য বসুমতাৰী ডাঙৰীয়াৰ কৰ্তন প্ৰস্তাব সমৰ্থন কৰি এই বিষয়ে অলপ কৰ খুজিছো। যোৱা বেলি আমাৰ ৰাজ্যত কেইখনমান নতুন জিলা আৰু মহকুমা গঠন কৰা হ'ল। তাৰ কিছুদিন পাচতেই পাৰ্চনেল বিভাগে এই নতুনকৈ গঠিত হোৱা জিলা আৰু মহকুমা বিলাকৰ বিভিন্ন পদৰ বাবে আবেদন পত্ৰ বিচাৰিছিল আৰু সেই মৰ্মে প্ৰতিখন জিলা আৰু মহকুমাতেই হাজাৰ হাজাৰ লৰা-ছোৱালীয়ে দৰখাস্ত দি দিছে। কিন্তু আজি এটা বছৰ পাৰ হৈ গ'ল এজনকো আমি নিযুক্তি পোৱা বা দিয়া নেদেখিলো। নতুন যিবিলাক জিলা আৰু মহকুমা গঠিত হৈ আছে সেইবিলাকে এতিয়াও ভেনচাৰ পৰ্য্যায়ত চলি আছে। গতিকে মই কবলৈ বিচাৰিছো আমাৰ যিবিলাক জিলা আৰু মহকুমা গঠিত কৰিছে সেইবিলাক পূৰ্ণাঙ্গ পৰ্য্যায়ত ৰূপ দিবৰ বাবে সেই সকলোবোৰ কৰ্ম্মচাৰীক অতি শীঘ্ৰে নিযুক্তি দিব লাগে। আন এটা কথা মাননীয় বসুমতাৰী ডাঙৰীয়াই কৈছে জিলা আৰু মহকুমা বিলাকৰ প্ৰশাসন চলাবৰ বাবে যিধৰণে যান-বাহনৰ দৰকাৰ তাত যান-বাহনৰ অভাৱ বাৰুকৈয়ে অনুভৱ হৈছে। ফলত

*Speech not corrected

প্ৰশাসনৰ কাম কাজ সুচাৰুৰূপে চলোৱাত বাধাগ্ৰস্ত হৈছে। গতিকে প্ৰতি-খন জিলা, মহকুমাতেই প্ৰয়োজনীয় যান-বাহন যোগান দিয়াত চৰকাৰে শীঘ্ৰে ব্যৱস্থা লব লাগে। তাৰ পাচত প্ৰশাসনৰ ক্ষেত্ৰত দেখা যায় চৰ এৰিয়া বিলাকত দেৱানীগিৰি চলি আছে। আৰু জনজাতীয় অঞ্চলতো সেই একে ব্যৱস্থা চলি আছে। তাত চৰকাৰ নাই। সেই বিলাক অঞ্চলত প্ৰশাসনৰ যে কিবা এটা ব্যৱস্থা আছে তাৰ কোনো অনু-ভবেই নাই। গতিকে প্ৰশাসনযন্ত্ৰ যে আছে সেইটো অনুভৱ কৰিবৰ কাৰণে এটা ব্যৱস্থা লব লাগে। কিয়নো আমি দেখিছো এই চৰ বা জনজাতীয় অঞ্চলৰ পৰা দুই এটা হত্যাকাণ্ডৰ বাহিৰে কোনো খবৰেই নাপায়। আৰু যদিও সেই হত্যাকাণ্ডৰ খবৰ পোৱা গৈছে তাৰ কোনো বিচাৰ নাই আৰু হত্যাকাৰী ধৰা নপৰে। গতিকে এনেকুৱা এটা জলন্ত পৰিস্থিতিৰ আগত এক আগ্নেয়গিৰিৰ ওপৰত ঠিয় হৈ থাকিবলগীয়া হৈছে। গতিকে প্ৰশাসন সুচল আৰু সবল কৰি তুলিবলৈ চৰকাৰে ব্যৱস্থা লব লগীয়া হৈছে। আশা কৰো চৰকাৰে তেওঁলোকৰ বৰ্ত্তমান যিখিনি অভাৱ অভিযোগ আছে এই অভাৱ অভিযোগবোৰ দূৰ কৰিবলৈ চেষ্টা কৰিব।

Mr. Speaker, Mr. Kaizasong, do you want to speak? No? All right. Then Chief Minister will reply now.

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, জিলা প্ৰশাসনৰ ক্ষেত্ৰত সদনত যিখিনি টকা ধাৰ্য্য কৰা হৈছে সেইখিনি তাকৰ আৰু ঠিকমতে খৰচ হোৱা নাই বুলি কৈছে। আৰু জিলা প্ৰশাসনৰ ক্ষেত্ৰত যিখিনি টকা ধৰা হৈছে সেইখিনি টকা হৈছে জিলা আৰু মহকুমা পৰ্য্যায়ৰ যিসকল বিষয়া আৰু কৰ্ম্মচাৰী আছে সেই সকলৰ দৰমহা আৰু এলাওয়েঞ্চৰ খৰচৰ সংক্ৰান্তত আৰু তেওঁলোকৰ ভ্ৰমণ বানচ আৰু অন্যান্য শিতানত যিটো টকা ধৰা হৈছে তাৰ পৰিমাণ হ'ল—৪ কোটি ৭৯ লাখ ২৬ হাজাৰ। মাননীয় বসুমতাৰী ডাঙৰীয়াই নতুন মহকুমা ওদালগুৰিৰ কথা কৈছে আৰু ৰিকুইজিচন কৰাৰ পাচত গাড়ীৰ মালিক সকলৰ দূৰৱস্থাৰ কথা উন্মুকিয়াইছে। অকল তাতেই নহয় আমাৰ বিভিন্ন জিলা আৰু মহকুমাত ৰাজ্যখনৰ আইন শৃঙ্খলা বিশেষকৈ যোৱা ১৯৮০ চনৰ পৰা এই চাৰিটা বছৰে ৰাজ্যখনৰ বিভিন্ন ঠাইৰ পৰা হাজাৰ হাজাৰ গাড়ী চৰকাৰৰ ফালৰ

*Speech not corrected

পৰা ৰিকুইজিচন কৰিছে। সেই ৰিকুইজিচন কৰা গাড়ী বিলাক বহুদিনৰে অচল হৈ পৰি আছে আৰু সেইবিলাক গাড়ী ৰিপেয়াৰ কৰা নাই আৰু মালিক সকলক ঘূৰাই দিয়া নাই। মই এই ক্ষেত্ৰত নিজেই অনুভৱ কৰিছো আৰু সেই কাৰণে মুখ্য সচিব আৰু বিষয়া সকলক মাতি আনি ৩১ মাৰ্চৰ আগতে যিসকল মালিকৰ পৰা গাড়ী ৰিকুইজিচন কৰা হৈছিল সেইসকলক পাবলগীয়া দেনা পাওনা বিলাক পৰিশোধ কৰিব লাগে। কিয়নো বহু তা শিক্ষিত নিবনুৱা ডেকাই বেঙ্কৰ পৰা ঋণ লৈ গাড়ী লৈ তেওঁলোকৰ জীৱন নিৰ্ব্বাহৰ পথ উলিয়াই লৈছিল আৰু সেইসকলৰ কিছুমানৰ গাড়ী ৰিকুইজিচন কৰা হৈছে। আৰু সেইসকলে যে কষ্ট পাইছে তাৰ প্ৰতি মই সচেতন। গতিকে তেওঁলোকৰ দেনা পাওনাখিনি পৰিশোধ কৰিব পাৰিলে তেওঁলোকে নিশ্চয় কিছু সকাহ পাব। গতিকে এই দেনা পাওনা বিলাক সোনকালে পেমেণ্ট কৰিব পাৰি সেই বিষয়ে মই সতৰ্ক কৰি দিছো। তৃতীয়তে মাননীয় দাস ডাঙৰীয়াই নতুন জিলাবিলাক ভেনচাৰ হৈ থকাৰ কাৰণে তাৰ অসুবিধাৰ কথা কৈছে আৰু তাত এতিয়াও কোনো কাম হোৱা নাই বুলি কৈছে। তেখতে সেই দিনা এন, আৰ, পি ৰ কথা উল্লেখ কৰি কৈছিল আৰু নতুন জিলা বিলাকত টকা দিব পৰা নাই কাৰণেই কাম বিলাক হৈ উঠা নাই। গতিকে এই সকলোবোৰ কথা অনুধাবন কৰি যিখিনি অসুবিধা হৈছে সেইখিনি দূৰ কৰিবলৈ আমি খৰটকীয়া ব্যৱস্থা লম।

অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে কব খুজিছো যে ইতিমধ্যে আমি নতুন নতুন জিলা আৰু মহকুমা গঠন কৰিছো আৰু প্ৰায় বিলাক নতুন জিলা আৰু মহকুমাতে বিষয়া সকলৰ নিযুক্তি হৈ গৈছে। জিলা আৰু মহকুমাত ডি-চি, এ-ডি-চি, এচ-ডি-অ', ই-এ-চি, এক্সিকিউটিভ মেজিষ্ট্ৰেট আদি দিয়া হৈছে। ডি আৰ-ডি-এ, প্ৰজেক্ট ডিৰেক্টৰ, প্ৰজেক্ট অফিচাৰ আদিও নিয়োগ কৰা হৈছে। পি-অ, এচ-ডি-পৰ্য্যায়ত মহকুমা আৰু এচ-পি দিয়া হৈছে। এডিচনেল এচ-পিৰো ব্যৱস্থা কৰা হৈছে। জিলা পৰ্য্যায়ত আৰু মহকুমা পৰ্য্যায়ত জিলা জনসম্পৰ্কৰক্ষী বিষয়া আৰু মহকুমা জনসম্প্ৰৰ্কৰক্ষী বিষয়াও নিযুক্তি দিয়া হৈছে। চি-জে-এম নিযুক্তিৰো ব্যৱস্থা কৰা হৈছে। মহকুমা পৰিষদ নতুন নতুন মহকুমা বিলাকত গঠন কৰা হৈছে। জিলা পৰ্য্যায়ত মুখ্য স্বাস্থ্য বিষয়া আৰু মহকুমা পৰ্যয়তো স্বাস্থ্য বিষয়া

দিয়া হৈছে। পৰিবহন বিভাগত কৰিমগঞ্জ জিলাৰ বাহিৰে আন সকলো জিলাত ডি-টি-অ' দিয়া হৈছে। কৃষি বিষয়া জিলা আৰু মহকুমা পৰ্যায়ত দিয়া হৈছে। ভেটেৰিনাৰি বিভাগতো জিলা আৰু মহকুমা পৰ্য্যায়ৰ বিষয়া দিয়া হৈছে। জিলা ইণ্ডাষ্ট্ৰি অফিচাৰ দিব পৰা হোৱা নাই কিন্তু বৰ্ত্তমান কাম চলাই আছে।

অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য দাস ডাঙৰীয়াই কোৱাৰ দৰে নিয়োগৰ ক্ষেত্ৰত অসুবিধা হোৱা নাই। শিৱসাগৰ জিলাৰ বাহিৰে বাকী জিলাকেইখনত আৰু মহকুমাৰ ক্ষেত্ৰটো নতুন লোক নিয়োগ কৰাৰ কাৰণে তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ লোকৰ কাৰণে লিখিত পৰীক্ষা লোৱা হৈছে। ডি চিক চেয়াৰমেন কৰি চেণ্ট্ৰেল কমিটি কৰি দিয়া হৈছে। সেই কমিটিয়ে লিখিত পৰীক্ষা লোৱাৰ পিচত এতিয়া ইণ্টাৰভিউ লৈ নিয়োগ কৰিব পাৰিব। ৰেভিনিউ চিৰস্তাদাৰ দিয়া হৈছে। সমবায় বিভাগৰ কাৰণে জিলা পৰ্য্যায়ত ডি-আৰ-চি-এচ আৰু মহকুমা পৰ্য্যায়ত এ-আৰ- চি এ নিযুক্তি দিয়া হৈছে। ট্ৰেজাৰি অফিচাৰ নিয়োগ কৰা হৈছে। নতুন যি বলাক চাৰ্কোল কৰা হৈছে তাতো নিযুক্তিৰ ব্যৱস্থা কৰা হৈছে। ফিচাৰি বিভাগৰ কাৰণে ফিচাৰি অফিচাৰ নিয়োগৰ কাম আৰম্ভ হৈছে। শিক্ষাৰ ক্ষেত্ৰত ইতিমধ্যে ইন্সপেক্টৰ অব স্কুলচ্, এচিটেণ্ট ইন্সপেক্টৰ অব স্কুলচ্ আৰু ডিষ্ট্ৰিক্ট এডুকেচন অফিচাৰ দিয়া হৈছে। ডি-আই সকলকো অলপতে নিয়োগ কৰিব পৰা হব। জিলা এডাল্ট এডুকেচন অফিচাৰ দিয়াৰ কাৰণে বিত্তীয় বিভাগৰপৰা অনুমোদন হৈছে। আঠখন জিলাত আঠজন ডি আইৰ ঠাইত সাতজনে ইতিমধ্যে জইন কৰিছে মাত্ৰ এজন বাকী আছে। মুঠতে জিলা আৰু মহকুমা পৰ্য্যায়ৰ প্ৰায় ভাগ বিষয়াই নিয়োগ কৰা হৈছে আৰু স্থানীয় ভাবে কামত জইন কৰিছে। দুই চাৰিটা বিভাগত এতিয়াও হৈ উঠা নাই। সেইখিনিও মই ভাবো মই নজে ব্যৱস্থা লৈ আছো। এই বিত্তীয় বছৰত হৈ নুঠিলেও অহা বিত্তীয় বছৰত শেষ হব। চাৰিটা নতুন মহকুমাত ত্ৰিশ বিচনাযুক্ত চৰকাৰী হস্পিতাল কৰাৰ কাৰণে ব্যৱস্থা লোৱা হৈছে। বিশ্বনাথ, ওদালগুৰি, ৰঙিয়া আৰু চৰাইদেউত এই চাৰিটা হস্পিটাল হব। ইয়াৰ কাৰণে বিশ্বনাথত তেষষ্টি

●Speech not corrected

লাখ সাতশ আশী টকা, ওদালগুৰিৰ কাৰণে আঠষষ্টি লাখ বাৰ হেজাৰ ছয়শ, চৰাইদেউৰ কাৰণে আঠষষ্টি লাখ সাতান্নবৈ পাচশ টকা দিয়া হৈছে। ইতিমধ্যে আঠখন জিলাৰ কাৰ্য্যালয়ৰ কাম চলাবলৈ টকা দিয়া হৈছে। মহকুমা পৰ্য্যায়তো তেনে টকা দিয়া হৈছে। শিৱসাগৰ জিলাত চিভিল হস্পিতালৰ বাবে দুই কোটি তিয়াল্লিশ হাজাৰ নশ ষাঠি টকা দিয়া হৈছে। এই হস্পিতাল দুশ বিচনাযুক্ত হব বুলি ঠিৰাং কৰা হৈছে। কোকৰাঝাৰ জিলাত ১০৪টা বিচনাৰ ঠাইত দুশ বিচনা কৰাৰ কাৰণে এসত্তৰ লাখ সাতসত্তৰ হাজাৰ তিনিশ টকা দিয়া হৈছে। গোসাইগাৱঁত একাৱন্ন লাখ পোন্ধৰ হাজাৰ টকা অনুমোদন দিয়া হৈছে। যি ভাবে নতুন জিলা আৰু মহকুমা গঠন কৰা হৈছে তাৰ দ্বাৰা প্ৰশাসনক আৰু অধিক ভাবে আগুৱাই নিবলৈ চেষ্টা কৰা হৈছে। প্ৰশাসনীয় সুবিধা ৰাইজে যাতে থাওকতে পাব পাৰে তাৰ কাৰণে যতপৰোনাস্তি চেষ্টা কৰা হৈছে। যিমানখিনি নতুন জিলা আৰু মহকুমাৰ কাৰণে কাম বাকী আছে সেই আটাখিনি এই বিত্তীয় বছৰত বাকী থাকিলেও অহা বিত্তীয় বছৰৰ ভিতৰত সম্পূৰ্ণ হব বুলি মই বিশ্বাস কৰো। এইখিনি কথা কৈ মাননীয় সদস্য গৰাকীক আমাৰ কামৰ খতিয়ান আৰু কাম কৰা অগ্ৰগতিলৈ চাই তেখেত সকলে দিয়া কৰ্ত্তন প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ কৰিছো।

Shri Binoy Kumar Basumatari : Sir, I want clarification on two points. To make the district administration effective, I have repeatedly requested for posting of Judicial Officers. Sir, I would like to know whether the Govt. has moved the Hon'ble High Court for appointment of Judicial Officers. I went clarification on this. Secondly, whether the Govt. has taken any step to inital Treasuries in those new headquarters.

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : এইটো ব্যৱস্থা লোৱা হৈছে।

Shri Binoy Kumar Basumatari : Sir, I want clarification—whether the Hon'ble High has been moved?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী : চি-জে-এম দিয়াৰ কাৰণে ব্যৱস্থা কৰা

---

*Speech not corrected

হৈছে আৰু টকা মঞ্জুৰী দিয়া হৈছে।

Shri Binoy Kumar Basumatari : Sir, I beg to leave the House of withdraw the Cut Motion.

Mr. Speaker : It is the pleasure of the House to grant leave to withdraw the Cut Motion ?

(Voice - yes, yes)

The leave is granted and the Cut Motion is withdrawn Now I put the main Grant that a sum of Rs. 5,12,50,000/- be granted to the Minister In-charge to defray the charges which will come in course of payment during the year ending the 31st March 1985 for the administration of "District Administration."

The Motion is passed.

Now Grant No. 32, Shri Hiteswar Saikia to move.

Shri Hiteswar Saikia (Chief Minister) : Sir, on the recommendation of the Govenor of Assam, I beg to move that a sum of Rs. 1,51,57,000/- be granted to the Minister In-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985 for the administration of "Art and Culture".

Mr. Speaker : There is no Cut Motion on this grant. So I put the main motion before the august House that a sum of Rs. 1,51,57,000/- be granted to the Minister In-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985 for the administration of "Art and Culture".

The motion is passed.

Now Shri Hemen Das to raise.

## MISCELLANEOUS

শ্ৰীহেমেন দাস : অধ্যক্ষ মহোদয়, আজি ৰাতৰি কাকতত প্ৰধান খবৰ হৈছে যে, অসমৰ বিভিন্ন ঠাইত পুলিচে লাঠি চাৰ্জ কৰিছে। যিটো খবৰ বাতৰি কাকতত প্ৰকাশ হোৱা নাই আৰু পাণ্ডু কলেজৰ ইউনিয়ন চেক্ৰেটৰিৰ ওপৰত মাৰপিত হৈছে কিয়? কলেজ কৰিবলৈ গৈছিল? মেডিকেল কলেজৰ ভিতৰত লাঠি চাৰ্জ হৈছে। মই চৰকাৰৰ পৰা জানিব বিচাৰো যে মেডিকেল কলেজৰ ভিতৰত হোষ্টেলৰ ভিতৰত গৈ পুলিচে লাঠি চাৰ্জ কিয় কৰিব লগা হল? আৰু পাণ্ডু কলেজৰ ইউনিয়ন চেক্ৰেটৰিক কলেজ কৰিবলৈ যাওতে কিয় আন্দোলনকাৰীৰ হাতত মাৰ খাব লগা হল। এই বিষয়ে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে জনাব লাগে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণসংগ্ৰাম পৰিষদৰ কালিৰ সত্যাগ্ৰহ আন্দোলনৰ আহ্বানৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনৰ পৰিস্থিতি সম্পৰ্কে মাননীয় সদস্যসকলক অবগত কৰাবলৈ মই এটা বিবৃতি দিবলৈ বিচাৰিছো।

মাননীয় সদস্যসকলে এই কথা শুনি নিশ্চয় আশ্বস্ত হব যে কালিৰ সত্যাগ্ৰহ আহ্বানৰ প্ৰতি ৰাইজৰ সহাঁৰিৰ অভাবে আন্দোলনৰ প্ৰতি ৰাইজৰ বিৰূপ মনোভাবকে প্ৰতিপন্ন কৰিলে। ডিব্ৰুগড়, শিৱসাগৰ, গোৱালপাৰা, ধুবুৰী, শোণিতপুৰ, কাৰ্বি আংলং আৰু দৰং জিলাত সত্যাগ্ৰহৰ মুঠেই প্ৰভাৱ পৰা নাছিল। প্ৰায়বোৰ ঠাইতে স্বাভাবিক জীৱন যাত্ৰা অব্যাহত আছিল। উদাহৰণ স্বৰূপে শিৱসাগৰ জিলাত একমাত্ৰ ডবা হাইস্কুলৰ বাহিৰে আন সকলো স্কুলত পৰীক্ষা আৰু শ্ৰেণীসমূহ আন দিনাৰ দৰেই চলি থাকে। শিৱসাগৰ কলেজত ছাত্ৰ-ছাত্ৰী সকল শ্ৰেণীলৈ নাহিলেও সত্যাগ্ৰহৰ বাবেও কেনো প্ৰচেষ্টা চলোৱা নাছিল। অৱশ্যে গুৱাহাটীত সত্যাগ্ৰহী সকলে নিষেধাজ্ঞা উলংঘা কৰি দুই এঠাইত শোভাযাত্ৰা উলিয়াবলৈ যত্ন কৰে। মাননীয় সদস্য সকলে এই কথাত নিশ্চয় বিব্ৰতবোধ কৰিব যে সত্যাগ্ৰহৰ নামত আন্দোলনকাৰীসকলে শিক্ষানুষ্ঠান, ন্যায়ালয় আনকি চিকিৎসালয়কো আন্দোলনৰ বাবে ব্যৱহাৰ কৰিবলৈ যত্ন কৰে। তেনে অপচেষ্টাৰ ৰোধ কৰিবলৈ ঠায়ে ঠায়ে স্থানীয় প্ৰশাসনে কেতবোৰ ব্যৱস্থা লব লগীয়া হয়।

কালি পুৱাৰেপৰা পান বজাৰৰ মেডিকেল কলেজ চিকিৎসালয়ৰ ভিতৰত

কিছু সংখ্যক আন্দোলনকাৰী সমবেত হৈ আছিল। ভঙাগড়ৰ মেডিকেল কলেজ চৌহদৰ পৰা কলেজৰ বাছেৰে এই আন্দোলনকাৰী সকলক অনা হৈছিল। দুপৰীয়া প্ৰায় চাৰে এঘাৰমান বজাত বেনাৰ লৈ আৰু ধ্বনি দি প্ৰায় ডেড়শজন আন্দোলনকাৰীয়ে শোভাযাত্ৰা কৰি চিকিৎসালয়ৰ চৌহদৰ পৰা ওলাই আহে। পুলিচৰ লোকে বাধা দিয়াত তেওঁলোক পুনৰ চিকিৎসালয়ৰ চৌহদলৈ সোমাই যায়। আৰু তাৰে পৰা পুলিচৰ গাৰ্লৈ শিলগুটি, চেণ্ডেল আদি দলিয়াবলৈ ধৰে। তেতিয়া দুৰ্বৃত্ত সকলক গ্ৰেপ্তাৰ কৰিবৰ বাবে পুলিচৰ লোক চিকিৎসালয় চৌহদত সোমাব লগীয়া হয়। আন্দোলনকাৰী কটিয়াই অনা মেডিকেল কলেজৰ আন এখন বাছ চিকিৎসালয়ৰ সন্মুখত ৰখোৱা হয় আৰু ধ্বনি দি থকা আন্দোলনকাৰী সকলক বাছৰ পৰা নমাত বাধা দিয় হয়। বাছৰ যাত্ৰী তালিকাৰ পৰা জনা যায় যে যাত্ৰীসকল বহুসংখ্যক বাহিৰালোক আছিল। আৰু তেওঁলোকৰ হাতত বেনাৰো পোৱা গৈছিল। এজন আন্দোলনকাৰী দৰং কলেজৰ প্ৰবক্তা শ্ৰীবীৰেণ বৈশ্যই বহিঃবিভাগৰ আন এজন ৰোগীৰ পৰিচয় পত্ৰ লৈ চিকিৎসালয়ৰ ৰোগীৰ বিচনাৰ সত্যাগ্ৰহী সংগঠিত কৰি আছিল। পুলিচে তেওঁক তাৰ পৰা আঁতৰাই নি গ্ৰেপ্তাৰ কৰে। উচ্চ ন্যায়ালয়ৰ চৌহদৰ ভিতৰতো এদল আন্দোলনকাৰী সমবেত হৈছিল আৰু তাৰ পৰা শোভাযাত্ৰা উলিয়াবলৈ যত্ন কৰিছিল। তাৰিণীচৰণ উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ পৰাও এদল যুৱকে নিষেধাজ্ঞা ভঙ্গ কৰিবলৈ যত্ন কৰিছিব আৰু কেউটা ক্ষেত্ৰতে সত্যাগ্ৰহী সকলক খেদি পঠিয়ায়।

মাননীয় সদস্যসকলে জানে যে শিক্ষানুষ্ঠান, ধৰ্মমন্দিৰ, চিকিৎসালয় আদিত পুলিচৰ প্ৰবেশ সম্পৰ্কে স্পষ্ট নীতি আগতেই ব্যাখ্যা কৰা হৈছে। কিন্তু এই পবিত্ৰ স্থান সমূহত অপৰাধমূলক বা আইন বিৰোধী কাৰ্য্য-কলাপ সংঘটিত হলে তাত প্ৰবেশ কৰাটো পুলিচৰ এটা আইন সঙ্গত দায়িত্ব হৈ পৰে।

চহৰত সংঘটিত বিভিন্ন ঘটনা সম্পৰ্কত কালি পচিশজন লোকক গ্ৰেপ্তাৰ কৰা হয়। এঘাৰজন আহতলোকক চিকিৎসাৰ সুবিধা দিয়া হয়। ঘটনা সমূহত এঘাৰজন পুলিচৰ লোকেও আঘাট পায়।

মাননীয় সদস্য সকলৰ নিশ্চয় মনত আছে যে এই সদনৰ মজিয়াতে মই বিদেশী নাগৰিক সমস্যা সম্পৰ্কে আলোচনা পুনৰ আৰম্ভ কৰাৰ বাবে প্ৰচেষ্টা চলোৱাৰ কথা কৈছিলো। বাতৰি কাকত, জনপ্ৰতিনিধি আৰু বিভিন্ন সংগঠনৰ পৰা অহা দিহা পৰামৰ্শৰ প্ৰতি সহাঁৰি দিয়াই এই ক্ষেত্ৰত আগ বঢ়াৰ কথা কোৱা হৈছে। এই বিষয়ত আন্দোলনৰ নেতা আৰু সংগঠনৰ পৰা আন্তৰিকতাপূৰ্ণ সহঁাৰি আমি আশা কৰিছিলো। কিন্তু আলোচনা পুনৰ আৰম্ভ কৰাৰ ক্ষেত্ৰত আন্তৰিকতাৰ ইঙ্গিত দিয়াৰ পৰিবৰ্তে আন্দোলনৰ কাৰ্য্যসূচীৰেহে তাৰ প্ৰত্যোত্তৰ দিব খোজাত আমি বিস্মিত হৈছো। তথাপিও চৰকাৰে আশা কৰিছে যে, আলোচনাৰ প্ৰচেষ্টাৰ ক্ষেত্ৰত আন্দোলনকাৰীয়ে এনেধৰণৰ হকাবধা সৃষ্টি কৰাৰ পৰা বিৰত থাকিব আৰু স্বাভাৱিক অৱস্থা অব্যাহত ৰাখি আলোচনা আৰম্ভ কৰাৰ বাবে অনুকূল পৰিবেশ সৃষ্টিৰ অৰিহণা যোগাব।

অধ্যক্ষ মহোদয়, মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই পাণ্ডু কলেজৰ সাধাৰণ সম্পাদকক মাৰপিত কৰাৰ কথা কৈছে। সেই ছাত্ৰনেতা গৰাকীক এই আন্দোলনৰ বিৰোধিতা কৰাৰ কাৰণে কিয় মাৰপিত কৰা হৈছে সেই বিষয়ে তদন্ত কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

Mr. Sdeaker : The Honse now stands adjouned till 10 A. M. on 19th March, 1984.

## ADJOURNMENT

The House then rose at 11·08 A. M. and stood adjourned till 10 A. M. on Monday, the 19th March, 1984.

Dated, Dispur,
The 16th March, 1984.

P. D. Barua,
Secretary,
Assam Legislative Assembly.

----